প্ৰেছ বিজ্ঞপ্তি

২০ অক্টোবৰ, ২০১৬

## ক্ৰেডিট এগ্ৰক’ল কৰ্পোৰেট এণ্ড ইনভেষ্টমেন্ট বেংকৰ ওপৰত আৰ বি আইয়ে অৰ্থদণ্ড বিহিছে

ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকিং বিনিয়ম আইন,১৯৪৯ৰ ধাৰা ৪৬(৪)(১) সহকাৰে ধাৰা ৪৭(ক)(১)ৰ অধীনত প্ৰাপ্ত ক্ষমতা প্ৰয়োগ কৰি, বেংকিং বিনিয়ম আইন,১৯৪৯ৰ ধাৰা ৬ উলংঘনৰ অভিযোগত ক্ৰেডিট এগ্ৰকল কৰ্পোৰেট এণ্ড ইনভেষ্টমেন্ট বেংকৰ ওপৰত ১০ নিযুত টকাৰ অৰ্থদণ্ড বিহিছে।

ক্ৰেডিট এগ্ৰকল চিআইবি ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেড নামৰ ইয়াৰ আউটছৰ্ছিং এজেন্সিটোৱে এলানি সেৱা আগবঢ়াই তাৰ পৰা মাচুল লোৱাত বেংকটো জড়িত আছিল। বেংকে বিনিময় আইন,১৯৪৯ৰ ধাৰা ৬(১)ৰ অধীনত এনে কাম-কাজৰ অনুমতি নহয় আৰু সেয়ে বেংকে বিনিয়ম আইন,১৯৪৯ৰ ধাৰা ৬ উলংঘনৰ বাবে বেংকটোক কাৰণ দৰ্শোৱাৰ জাননী দিয়া হৈছিল।

বেংকটোৰ উত্তৰ, ব্যক্তিগত উপস্থাপন আৰু প্ৰাপ্ত নথিপত্ৰবোৰ সাৱধানতাৰে বিবেচনা কৰি ৰিজাৰ্ভ বেংক এই সিদ্ধান্তত উপনীত হয় যে উলংঘন সংঘটিত হৈছে আৰু অৰ্থদণ্ড আৰোপ অৱধাৰিত।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি- ২০১৬-১৭/৯৭৯**